**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-09-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::

১। ব্ৰিকচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা নেতাসকলে শক্তি সুৰক্ষাক সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সকলো দেশৰ কল্যাণৰ গুৰুত্বপূৰ্ণ আধাৰ বুলি অভিহিত কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে নতুন দিল্লীত উনবিংশ ভাৰত ভিয়েটনাম যুটীয়া আয়োগৰ বৈঠকত সহ অধ্যক্ষতা কৰে।

৪। দেশৰ পাইকাৰী মূল্য সূচকাংক ভিত্তিক মুদ্ৰাস্ফীতি আগষ্টত সামান্য বৃদ্ধি পাইছে। *আৰু*

৫। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত কাইলৈ দ্বিতীয়খন টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰতৰ পুৰুষৰ ক্ৰিকেট দলটোৱে আফগানিস্তানৰ বিৰুদ্ধে খেলিব।

০০০০

ব্ৰিকচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা নেতাসকলে শক্তি সুৰক্ষাক সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সকলো দেশৰ কল্যাণৰ গুৰুত্বপূৰ্ণ আধাৰ বুলি অভিহিত কৰিছে। নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া ব্ৰিকচ শীৰ্ষ সন্মিলনত সদস্য ৰাষ্ট্ৰসমূহে শক্তি বজাৰৰ স্থিৰতা নিশ্চিত কৰাৰ লগতে বিভিন্ন উৎসৰ পৰা নিৰবচ্ছিন্ন শক্তিৰ প্ৰবাহ বৰ্তাই ৰাখি আৰু গুৰুত্বপূৰ্ণ শক্তি আন্তঃগাথনিক সুৰক্ষা প্ৰদানেৰে শক্তি নিৰাপত্তা বৃদ্ধি কৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। এই শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰযুক্তি আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো প্ৰগতিৰ অন্তৰায় হ'ব পাৰে বুলিও সকিয়াই দিয়ে। উল্লেখযোগ্য যে ভাৰতে স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণক বিষয়বস্তু হিচাপে লৈ গোলকীয় দক্ষিণৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি এইবছৰ ব্ৰিকচ শীৰ্ষ সন্মিলনৰ অধ্যক্ষতা কৰিছে। ব্ৰিকচ শীৰ্ষ সন্মিলনত আটাইতকৈ উল্লেখযোগ্য ফলাফল হৈছে নতুন দিল্লী ঘোষণা পত্ৰ গ্ৰহণ, যাৰ জৰিয়তে প্ৰধান ভূ-ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়সমূহত দেশসমূহৰ সমুহীয়া স্থিতিক প্ৰতিফলিত কৰিছে। পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত ব্ৰিকচৰ নেতাসকলে সৰ্বোচ্চ সংযম বজাই ৰখাৰ লগতে আলোচনা আৰু কূটনৈতিক মাধ্যমেৰে সমস্যাৰ সমাধান কৰি নাগৰিক আৰু অসামৰিক আন্তঃগাথনি সুৰক্ষিত কৰাত গুৰুত্ব আৰোপ কৰিছে। এই নেতাসকলে সকলো ধৰণৰ সন্ত্ৰাসবাদক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতিত তেওঁলোকৰ সহমতত দোহাৰে। সংক্ৰামক ৰোগ আৰু প্ৰতিৰোধ আৰু সহাৰিৰ ক্ষেত্ৰত ব্ৰিকচ সংহত পূৰ্ব সতৰ্কতা ব্যৱস্থা গঢ়ি তোলাৰ ওপৰতো সহমত প্ৰকাশ কৰা হয়। বিশ্বৰ ৰাজনীতি, অৰ্থনীতি আৰু বহুপাক্ষিক সহযোগিতাৰ দৃষ্টিকোণৰ পৰা এই শীৰ্ষ সন্মিলনখন অত্যন্ত গুৰুত্বপূৰ্ণ আছিল।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ এগৰাকী বিশেষজ্ঞই ভাৰতে অষ্টাদশ ব্ৰিকচ শীৰ্ষ সন্মিলন সফলতাৰে আয়োজন কৰা বুলি অভিহিত কৰিছে। এই শীৰ্ষ সন্মিলনত গৃহীত নতুন দিল্লী ঘোষণা পত্ৰই ভিন্ন মতাদৰ্শ থকা দেশসমূহৰ মাজতো সহমত গঢ়ি তোলাৰ ক্ষেত্ৰত ইয়াৰ সফলতাক প্ৰতিফলিত কৰিছে বুলি বিশ্লেষকগৰাকীয়ে মন্তব্য

কৰিছে। আটলাণ্টিক পৰিষদৰ দক্ষিণ এছিয়া বিভাগৰ জ্যেষ্ঠ গৱেষক মাইকেল কুগেলমেনে কৈছে যে এই ঘোষণাপত্ৰই ভাৰতৰ সমন্বয় শক্তিৰ বৃদ্ধিৰ লগতে ব্ৰিকচ ৰাষ্ট্ৰগোটৰ প্ৰতি ক্ৰমবৰ্ধমান আকৰ্ষণকে প্ৰতিফলিত কৰে। উল্লেখযোগ্য য এই ঘোষণাপত্ৰখনে এক সক্ৰিয় শুল্ক আৰু শুল্কবিহীন ব্যৱস্থাসমূহে বিশ্ব বাণিজ্যক বিঘ্নিত কৰাৰ লগতে বিশ্ব বাণিজ্য সংস্থাৰ নিয়ম, উলংঘা কৰা বুলি উল্লেখ কৰি এই সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। তদুপৰি সন্ত্ৰাসবাদ, সংঘাত প্ৰতিৰোধ আৰু শান্তি পূৰ্ণ বিবাদ নিস্পত্তিৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ প্ৰয়োজনতো ইয়াত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ লগতে এই ঘোষণাপত্ৰই ব্ৰিকচৰ ৰাষ্ট্ৰসমূহৰ মাজত আন্তঃবাণিজ্য বৃদ্ধিত গুৰুত্ব আৰোপ কৰাৰ লগতে এনে প্ৰচেষ্টাই পশ্চিমীয়া নেতৃত্বৰ অৰ্থনীতি আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ বিকল্প হিচাপে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাত সহায় কৰিব বুলিও উল্লেখ কৰিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতীয় সংস্কৃতি আৰু সাহিত্যক পদুম ফুলৰ দৰে বুলি উল্লেখ কৰি কয় যে ইয়াৰ প্ৰতিটো পাহিয়ে আঞ্চলিক ভাষাসমূহক প্ৰতিনিধিত্ব কৰে। তেওঁ কয় যে যদি ইয়াৰ এটা পাহি সৰি পৰে তেন্তে গোটেই পদুম পাহৰ সৌন্দৰ্য হানি হ'ব। হিন্দী ভাষাই কেন্দ্ৰীয় ভূমিকা পালন কৰাৰ বিপৰীতে সকলো আঞ্চলিক ভাষাৰ সন্মান আৰু মৰ্যদা নিশ্চিত কৰা উচিত বুলিতেওঁ মন্তব্য কৰে। শ্ৰীশ্বাহে আজি নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰি এইদৰে কয়। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতত বহু ভাষা থাকিলেও দেশৰ ভাৱ আৰু মত এটাই হৈ আছে। ভাষিক বিচিত্ৰতাই দেশৰ শক্তি বুলি উল্লেখ কৰি তেওঁ কয় যে হিন্দী ভাষাই বিভিন্ন ভাৰতীয় ভাষাৰ মাজত যোগাযোগৰ সেতু হিচাপে সেৱা আগবঢ়াব পাৰে আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় একতা শক্তিশালী হ'ব।

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। আৰম্ভণি সত্ৰত শ্ৰীশ্বাহে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰে। এই সত্ৰৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰগীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। এই সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হয়। এই অনুষ্ঠানতে ভাৰতী বহুভাষিক অনুবাদ এপ এটা মুকলি কৰাৰ লগতে ভাষাকুঞ্জ নামৰ ভাৰতীয় ভাষাসমূহৰ প্ৰতি উৎসৰ্গিত দেশৰ প্ৰথমটো তথ্যকেন্দ্ৰ মুকলি কৰা হয়।

oooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত উনবিংশ ভাৰত ভিয়েটনাম যুটীয়া আয়োগৰ বৈঠকত ভিয়েটনামৰ বিদেশ মন্ত্ৰী লি হোৱাই টুংৰ সৈতে সহ অধ্যক্ষতা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে এই বৈঠকত তেওঁলোকে ভাৰত আৰু ভিয়েটনামৰ মাজৰ ৰাজনৈতিক, প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ বাবে বিভিন্ন উপায়ৰ লগতে ভাৰতত নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰী, যোগান বৃদ্ধি কৰাৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজত বাণিজ্য, বিনিয়োগ, যোগান শৃংখলা আৰু সামুদ্ৰিক, কৃষিজাত সামগ্ৰী আৰু ভেষজ সামগ্ৰীৰ বজাৰ সম্প্ৰসাৰণৰ বিষয়েও আলোচনা কৰে। ইয়াৰ লগতে দুয়োগৰাকী নেতাই শক্তি সহযোগিতা, ঐতিহ্যৰ সুৰক্ষা আৰু সাংস্কৃতিক প্ৰকল্পসমূহৰ বিষয়েও আলোচনা কৰে। উল্লেখযোগ্য যে ভিয়েটনাম ভাৰতৰ পূবলৈ চোৱা নীতি, আছিয়ান ভাৰত প্ৰশান্ত মহাসাগৰীয়, মহাসাগৰ আৰু গোলকীয় দক্ষিণ নীতিৰ মূল অংশীদাৰ।

oooo

দেশৰ পাইকাৰী মূল্য সূচকাংক (WPI) ভিত্তিক মুদ্ৰাস্ফীতি আগষ্টত সামান্য বৃদ্ধি পাইছে।বাৰ্ষিক ভিত্তিত এই সূচকাংক জুলাইৰ ৯ দশমিক ৭-৮ শতাংশৰ পৰা বৃদ্ধি

পাই আগষ্টত ৯ দশমিক ৯-২ শতাংশ হৈছেগৈ। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, যোৱা মাহত খনিজ তেল, খাদ্য সামগ্ৰী, খাদ্য সামগ্ৰী, মৌলিক ধাতু, খাদ্য-বহিৰ্ভূত সামগ্ৰী, ৰাসায়নিক আৰু ৰাসায়নিক সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবেই বাৰ্ষিক মুদ্ৰাস্ফীতি বৃদ্ধি পাইছে। একেৰাহে চতুৰ্থ মাহৰ বাবে পাইকাৰী মূল্যৰ মুদ্ৰাস্ফীতি ৯ শতাংশৰ ওপৰত আছে।

পাইকাৰী মূল্য সূচকাংকৰ প্ৰধান শ্ৰেণীসমূহৰ ভিতৰত ইন্ধন আৰু শক্তি গোটত বাৰ্ষিক ভিত্তিত হোৱা মুদ্ৰাস্ফীতি জুলাইৰ ২০ শতাংশৰ পৰা বৃদ্ধি পাই যোৱা মাহত ২২ দশমিক ৯ শতাংশ হৈছেগৈ। নিৰ্মাণ সামগ্ৰীৰ মুদ্ৰাস্ফীতি ৮ দশমিক ৩ শতাংশৰ পৰা সামান্য বাঢ়ি প্ৰায় ৮ দশমিক ৪ শতাংশ হৈছে। আনহাতে প্ৰাথমিক সামগ্ৰীৰ মুদ্ৰাস্ফীতি জুলাইৰ ৮ দশমিক ৫ শতাংশৰ পৰা হ্ৰাস পাই আগষ্টত প্ৰায় ৭ দশমিক ৮ শতাংশ হৈছে। খাদ্য সামগ্ৰী আৰু খাদ্যজাত বস্তুৰে গঠিত পাইকাৰী মূল্য খাদ্য সূচকাংক পূৰ্বৰ মাহৰ ৬ দশমিক ৬-৫ শতাংশৰ পৰা বৃদ্ধি পাই আগষ্টত ৭ দশমিক ০-৫ শতাংশ হৈছে। আনহাতে, আগষ্টত বাৰ্ষিক ভিত্তিত উৎপাদক মূল্য সূচকাংক ৯ দশমিক ৮-১ শতাংশলৈ বৃদ্ধি পাইছে।

০০০০

ডাক বিভাগৰ সৰ্বভাৰতীয় কৰ্মচাৰী সংস্থাৰ এটা প্ৰতিনিধি দলে আজি কৰ্মচাৰী, ৰাজহুৱা দাবী নিস্পত্তি আৰু পেঞ্চন মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙক নতুন দিল্লীত সাক্ষাৎ কৰি ডাক সেৱাৰ ৰূপান্তৰকৰণৰ লগতে বিভাগটোৰ কৰ্মচাৰী সংস্থা আৰু পেঞ্চনভোগীসকলৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰে। প্ৰতিনিধি দলটোৱে ভাৰতীয় ডাক বিভাগক আধুনিক আৰু নাগৰিককেন্দ্ৰিক সেৱাৰ সুবিধাৰে সমৃদ্ধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনায়। দলটোৱে কয় যে এই পৰিৱৰ্তনসমূহৰ ফলত ভাৰতীয় ডাকৰ কাম প্ৰসাৰিত হোৱাৰ লগতে নাগৰিককেন্দ্ৰিক বিভিন্ন সেৱাৰে বিভাগটোক দেশৰ জনসাধাৰণৰ ওচৰ চপাই আনিছে। এই আলোচনাৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় ডাক বিভাগৰ পৰিৱৰ্তনে ডাকোৱালৰ পৰিৱৰ্তিত ভূমিকাকো প্ৰতিফলিত কৰিছে যি বৰ্তমান অন্যান্য প্ৰয়োজনীয় সেৱাসমূহৰ লগতে বেংকিং সেৱাকো জনসাধাৰণৰ ওচৰলৈ পোনপটীয়াকৈ লৈ গৈছে। তেওঁ কয় যে দেশজুৰি থকা ডাক বিভাগৰ বিশাল গাথনি এটা মূল্যৱান ৰাজহুৱা সেৱাৰ সম্পদ ইয়াক বিভিন্ন চৰকাৰী কাৰ্যসূচীৰ ব্যাপক সম্প্ৰসাৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

০০০০

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত কাইলৈ দ্বিতীয়খন টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰতৰ পুৰুষৰ ক্ৰিকেট দলটোৱে আফগানিস্তানৰ বিৰুদ্ধে খেলিব। ৩ খনীয়া শৃংখলাটোৰ যোৱা নিশা অনুষ্ঠিত প্ৰথমকন খেলত ভাৰতে ৭ টা উইকেটত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। আফগানিস্তানে বান্ধি দিয়া ১৫৭ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে অভিষেক শৰ্মাৰ ৩২ টা বলত ৮২ ৰান আৰু ইশান কিষাণৰ ৪২ ৰানৰ সহায়ত ১৩ অভাৰ ৪ টা বলতে ৩ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৫৬ ৰান কৰে। শৃংখলাটোৰ তৃতীয়খন খেল অহা বৃহস্পতিবাৰে একেখন ষ্টেডিয়ামতে খেলোৱা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ